**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-04-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

---------------------

১। বিশ্ব বৰেণ্য শিল্পী ড০ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উদযাপনৰ বাবে ৰাজ্য চৰকাৰৰ বিশেষ পৰিকল্পনা।

২। অসমীয়াৰ হেঁপাহৰ ৰঙালী বিহু দুৱাৰদলিত। কাইলৈ গো-ধনৰ শ্ৰীবৃদ্ধি কামনাৰে গৰু বিহু পালন।

৩। পঞ্চায়ত নিৰ্বাচনত বিনা প্ৰতিদ্বন্দ্বিতাৰে কেইবাগৰাকীও প্ৰাৰ্থীৰ জয়।

৪। অহা বৰ্ষৰ ভিতৰত সকলো অভিযান্ত্ৰিক পাঠ্যক্ৰমৰ বাবে অসমীয়াকে ধৰি ১২ টা ভাষাত পাঠ্যপুথি সুলভ কৰাৰ বাবে এ আই চি টি ইৰ পদক্ষেপ। *আৰু*

৫। আই এছ্ এল ফুটবল প্ৰতিযোগিতাত মোহন বাগান ছুপাৰ জায়েণ্টৰ খিতাপ দখল।

ooooo

ৰাজ্য চৰকাৰে বিশ্ব বৰেণ্য শিল্পী ড০ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উদযাপনৰ বাবে বিশেষ পৰিকল্পনা গ্ৰহণ কৰিছে। কালি ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত এই বিষয়ে গ্ৰহণ কৰা সিদ্ধান্তৰ কথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এখন সংবাদমেলত প্ৰকাশ কৰে।

শিল্পীগৰাকীৰ জন্ম শতবাৰ্ষিকীৰ উদ্যাপনৰ বছৰযোৰা কাৰ্যসূচীৰ অহা ৮ ছেপ্তেম্বৰত আৰম্ভ কৰাৰ বিষয়েও কালি মন্ত্ৰীসভাত সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই অনুসৰি ৰাজ্য চৰকাৰে ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী নিয়াৰিকৈ পালন কৰিবলৈ মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত এখন ৫০ জনীয়া কমিটি গঠনৰ সিদ্ধান্ত লৈছে।

**(বাইট ঃ মুখ্যমন্ত্ৰী)**

দেশৰ ৰাষ্ট্ৰপতি নাইবা প্ৰধানমন্ত্ৰীৰ উপস্থিতিত শতবৰ্ষ উদ্যাপনৰ আৰম্ভণি আৰু সামৰণি অনুষ্ঠান অনুষ্ঠিত হ'ব। শতবাৰ্ষিকীৰ কেন্দ্ৰীয় অনুষ্ঠান গুৱাহাটী, নতুন দিল্লী, অৰুণাচল প্ৰদেশ, কলিকতা আৰু মুম্বাইত অনুষ্ঠিত হ'ব। তদুপৰি ড° ভূপেন হাজৰিকাৰ সোঁৱৰণত এটা বিশেষ আন্তগাথনি প্ৰকল্প নাইবা অনুষ্ঠান নিৰ্মাণ কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে। বিশিষ্ট ঔপন্যাসিক, সাংবাদিক অনুৰাধা শৰ্মা পুজাৰীৰ দ্বাৰা প্ৰনয়ন কৰা শিল্পীগৰাকীৰ চমু জীৱনী ৰাজ্যখনৰ ১০ লাখ ব্যক্তিলৈ প্ৰেৰণ কৰা হ'ব। ভাৰতবৰ্ষৰ সকলো ভাষালৈ এই জীৱনী অনুবাদ কৰি বিভিন্ন পুথিভঁড়াললৈ প্ৰেৰণৰ বাবেও মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰে। একেদৰে শিল্পীগৰাকীৰ নামত স্মাৰক মুদ্ৰা প্ৰৱৰ্তন কৰাৰ বাবে ভাৰতীয় ৰিজাৰ্ভ বেংকক অনুৰোধ জনোৱাৰ বাবে মন্ত্ৰীসভাই সিদ্ধান্তত উপনীত হয়। বিশ্ব বৰেণ্য শিল্পীগৰাকীৰ জীৱন সম্বলিত তথ্য চিত্ৰ অসমীয়া, ইংৰাজী আৰু হিন্দী ভাষাত প্ৰস্তুত কৰাৰ বাবে ৰাজ্য চৰকাৰে সিদ্ধান্ত লৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। কিংবদন্তি শিল্পীগৰাকীৰ সংগীত আৰু কৰ্মজীৱন সম্পৰ্কে শিক্ষানুষ্ঠানসমূহত আলাপ-আলোচনা, চৰ্চাৰ ব্যৱস্থা কৰা হ'ব বুলি মুখ্যন্ত্ৰীয়ে উল্লেখ কৰে।

ইপিনে, ৰাজ্যত নতুনকৈ ১০ খন সমজিলা গঠনৰ বাবে কালি মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰে। কামৰূপ জিলাৰ বকো আৰু পলাশবাৰী, শোণিতপুৰৰ বৰছলা আৰু ৰঙাপাৰা, তিনিচুকীয়াৰ মাকুম আৰু ডিগবৈ, যোৰহাটৰ টিয়ক আৰু মৰিয়নি, কাছাৰৰ ধলাই আৰু গোৱালপাৰাৰ দুধনৈত এই সমজিলাকেইখন গঠন কৰা হ'ব। অসম মন্ত্ৰীসভাৰ কালি দিশপুৰত অনুষ্ঠিত বৈঠকৰ পাছত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে ৰাজ্যত নিৰ্মীয়মান অৱস্থাত থকা ৭ খন কৰ্কট ৰোগৰ চিকিৎসালয়ৰ নিৰ্মাণকাৰ্য এইবছৰতে দ্ৰুত গতিত আগবঢ়াই নিয়াৰ বাবে মন্ত্ৰীসভাই আঢ়ৈ শ কোটি টকাৰ অনুমোদন জনাইছে। ইতিমধ্যে এই চিকিৎসালয়কেইখন নিৰ্মাণৰ বাবে ২ হাজাৰ ৫০০ কোটি টকা ব্যয় কৰা হৈছে বুলি তেওঁ কয়।

ডিব্ৰুগড়, যোৰহাট, বোকাখাট আৰু বজালীত ৰাজ্য চৰকাৰে গঠন কৰা দুগ্ধ উৎপাদন কেন্দ্ৰকেইটাৰ পৰিচালনাৰ দায়িত্ব নৰ্থ ইষ্ট ডেইৰী এণ্ড ফুডছ্ লিমিটেডক অৰ্পন কৰাৰ বাবে মন্ত্ৰীসভাই সিদ্ধান্ত লৈছে।

০০০০০০

অসমীয়াৰ হেঁপাহৰ ৰঙালী বিহুৰ আজি উৰুকা। **(মিউজিক)** কাইলৈ জনসাধাৰণে গো-ধনৰ শ্ৰীবৃদ্ধি কামনাৰে গৰু বিহু পালন কৰিব। গৰু বিহুৰ বাবে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। গুৱাহাটী মহানগৰীৰ বিভিন্ন বজাৰত প্ৰয়োজনীয় মাখিয়তি, দীঘলতি, থেকেৰা, বৰবেঙেনা, পানীলাও, হালধি আদি উপলব্ধ হৈছে। পৰহিলৈ অসমীয়া নৱবৰ্ষৰ প্ৰথমটো দিনত হেঁপাহৰ বিহুৱান লৈ বছৰটোৰ বাবে ৰাজ্যবাসীয়ে পৰস্পৰৰ কুশল কামনা কৰিব। ৰাজ্যজুৰি বিহু উপলক্ষে উৎসৱ মুখৰ পৰিৱেশ সৃষ্টি হোৱাৰ লগতে জনসাধাৰণ অসমীয়া নৱবৰ্ষক পৰম্পৰাগত ৰীতি-নীতিৰে আদৰিবলৈ সাজু হৈছে। গাঁৱে-ভূঞে, চহৰে-নগৰে ৰঙালী বিহুক লৈ উৎসাহ-উদ্দীপনাৰ পৰিবেশে বিৰাজ কৰিছে। **(মিউজিক)** ইফালে বিহুৰ বতৰতে অসমৰ গামোচাৰ চাহিদা যথেষ্ট বৃদ্ধি পাইছে। গুৱাহাটী মহানগৰীৰ প্ৰান্তে প্ৰান্তে গামোচাৰ বিপণী মুকলি কৰা হৈছে। অনুৰূপ ধৰণে ফাঁচী বজাৰ, গণেশগুৰি, পল্টন বজাৰ আৰু বিভিন্ন শ্বপিংমলত কাপোৰ ক্ৰয় কৰাৰ বাবে গ্ৰাহকৰ ভিৰ পৰিলক্ষিত হৈছে।

বিগত বৰ্ষৰ দৰে ব'হাগক আদৰিবলৈ এইবাৰো সদৌ গুৱাহাটী ছাত্ৰ সন্থাই কাইলৈ জজ খেলপথাৰত মুকলি বিহুৰ আয়োজন কৰিছে।

ঐতিহ্যমণ্ডিত গুৱাহাটী বিহু সন্মিলনীয়ে কাইলৈৰ পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে লতাশিল খেলপথাৰত ৰঙালী বিহুৰ আয়োজন কৰিছে।

গুৱাহাটীৰ বেলতলা বিহু উদযাপন সমিতিয়ে এইবছৰো অহা ২৪ এপ্ৰিলৰ পৰা তিনিদিনীয়াকৈ বেলতলা বিদ্যালয় খেল পথাৰত ৪৮ সংখ্যক ব'হাগী উৎসৱৰ আয়োজন কৰিছে। এইবেলি বিহু উদ্‌যাপন সমিতিৰ সৰ্বোচ্চ সন্মান ডং ভূপেন হাজৰিকা বঁটা কণ্ঠশিল্পী জুবিন গাৰ্গক প্ৰদান কৰা হ'ব। তদুপৰি ৰাজ্যৰ বিভিন্ন বিহুমঞ্চত শ্ৰেষ্ঠত্ব অৰ্জন কৰা বিহুৱতীসকলৰ মাজত প্ৰতিযোগিতা অনুষ্ঠিত কৰি পাটমাদৈ বঁটা প্ৰদান কৰা হ'ব। উজনি অসমৰ শিৱসাগৰ, লখিমপুৰ, ধেমাজিকে ধৰি জিলা কেইখনত বিহু উপলক্ষে উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। ডিব্ৰুগড় জিলাত বিহুৰ আয়োজন সন্দৰ্ভত এয়া জিলাখনৰ পৰা আমাৰ সংবাদদাতা যাদৱ গগৈ–

(ভইছ্‌ ঃ যাদৱ গগৈ)

অৰণ্য সুৰক্ষা সমিতি অসমে বিগত বছৰৰ দৰে এইবাৰো পৰিবেশ সংৰক্ষণৰ প্ৰতি সজাগতা সৃষ্টিৰ বাবে গছ্‌ বিহু পালন কৰিব। ধুবুৰী জিলাৰ বিভিন্ন প্ৰান্তত পহিলা ব'হাগৰ দিনা এই বিহু পালন কৰা হ'ব। কামৰূপ

জিলাত কাইলৈ গৰু বিহু পালনৰ বাবে ৰাইজ সাজু হৈছে। জিলাখনৰ বকো-ছয়গাঁও, হাজো-কমলপুৰকে ধৰি বিভিন্ন অঞ্চলত পৰম্পৰাগতভাৱে গৰু বিহু পালন কৰা হ'ব।

০০০০০০

গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৩২ সংখ্যক দিক্ষান্ত সমাৰোহ অহা ২৫ এপ্ৰিলত উদযাপনৰ বাবে প্ৰস্তুতি চলিছে। এই অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে শিক্ষাৰ্থীসকলক ডিগ্ৰীৰ প্ৰমাণপত্ৰ প্ৰদান কৰিব। অনুষ্ঠানত ৰাজ্যপাল তথা বিশ্ববিদ্যালয়ৰ আচাৰ্য লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। এই সমাৰোহ সন্দৰ্ভত বিশ্ববিদ্যালয়খনৰ উপাচায্য, অধ্যাপক ননীগোপাল মহন্তই এইদৰে কয়—

(ভইচ ঃ ননীগোপাল মহন্ত)

০০০০০০

পঞ্চায়ত নিৰ্বাচনত বিনা প্ৰতিদ্বন্দ্বিতাৰে কেইবাগৰাকীও প্ৰাৰ্থীয়ে জয়লাভ কৰিছে। কামৰূপ নিৰ্বাচনী জিলাৰ অন্তৰ্গত ২৪খন জিলা পৰিষদৰ ৩ গৰাকী প্ৰাৰ্থী আৰু ১৩৯টা আঞ্চলিক পঞ্চায়ত সদস্যৰ ২৫ গৰাকী প্ৰাৰ্থীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে। জিলাখনৰ ২৪ খন জিলা পৰিষদত মুঠ ৬১ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। ইয়াৰে বেকেলী জিলা পৰিষদৰ বিজেপি প্ৰাৰ্থী দেৱজ্যোতি ৰাভা, পঞ্চতীৰ্থ হাজো জিলা পৰিষদৰ বিজেপিৰ প্ৰাৰ্থী ৰীতা তালুকদাৰ আৰু শৰাইঘাট কেতেকীবাৰী জিলা পৰিষদৰ বিজেপি প্ৰাৰ্থী বিৰাজ কুমাৰ নাথে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে। জিলাখনৰ ১৩৯ খন আঞ্চলিক পঞ্চায়তৰ সদস্যৰ বাবে ৩১৭ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। গোলাঘাট দক্ষিণ আঞ্চলিক পঞ্চায়তৰ বিজেপি-অগপ মিত্ৰজোঁটৰ ৭ গৰাকী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে। সৰুপথাৰ সম-জিলাৰ মুঠ ২১ খন গাঁও পঞ্চায়তৰ পৰা ২১০ টা ৱাৰ্ড সদস্যৰ নিৰ্বাচন হ'ব। ইয়াৰে ২৫ গৰাকী ৱাৰ্ড সদস্য বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে। বজালী জিলাত চাৰিখনকৈ আঞ্চলিক পঞ্চায়ত বিজেপি-অগপ মিত্ৰদলৰ প্ৰাৰ্থীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ৰ দিয়ে অগ্ৰসৰ হৈছে।

কোনো প্ৰাৰ্থীয়ে প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰিব বিচাৰিলে ১৭ এপ্ৰিলৰ বিয়লিৰ ৩ বজাৰ ভিতৰত আবেদন কৰিব লাগিব। সেইদিনাই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব।

অহা ২ মে'ত প্ৰথম পৰ্যায়ত নিৰ্বাচন হ'বলগীয়া ধেমাজি জিলাত ১২ খন জিলা পৰিষদৰ বাবে ৩৯ জন প্ৰাৰ্থীয়ে আৰু ৫ খন আঞ্চলিক পঞ্চায়তৰ বাবে ১৩৯ জন প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। জিলাখনৰ ৬৫ খন গাঁও পঞ্চায়তৰ ৬৫০টা ৱাৰ্ড সদস্যৰ বাবে এহেজাৰ ৭৭০ জনে মনোনয়ন পত্ৰ দাখিল কৰিছে।

০০০০০০

ৰাজ্যিক নিৰ্বাচন আয়োগে বুথ পৰ্যায়ৰ বিষয়া বি এল অ' সকলক পঞ্চায়ত নিৰ্বাচনত পুলিং বিষয়া হিচাপে নিয়োজিত নকৰিবলৈ জিলা আয়ুক্তসকলক নিৰ্দেশ দিছে। ৰাজ্যিক নিৰ্বাচন আয়োগৰ সচিবে এই সন্দৰ্ভত পঞ্চায়ত নিৰ্বাচন হ'বলগীয়া ২৭ খন জিলাৰ আয়ুক্তলৈ আনুষ্ঠানিক পত্ৰ প্ৰেৰণ কৰিছে। জিলা আয়ুক্তসকলক ভোট গ্ৰহণৰ দায়িত্বত নিয়োজিত কৰিবলগীয়া বিষয়াৰ তালিকা প্ৰস্তুত কৰাৰ বাবে ই-নিৰ্বাচন এপৰ জৰিয়তে গ্ৰহণ কৰা সমিলমিল প্ৰক্ৰিয়াত বি এল অ'সকলক অন্তৰ্ভুক্ত নকৰিবলৈ নিৰ্দেশ দিয়া হৈছে। পত্ৰখনত আয়োগে বি এল অ'সকলক অন্য কেতবোৰ দায়িত্ব অৰ্পণৰ কথা ভাবিছে আৰু শীঘ্ৰে জিলা আয়ুক্তসকলক এই বিষয়ে জনোৱা হ'ব বুলি আয়োগৰ পত্ৰখনত কোৱা হৈছে।

০০০০০০

সৰ্বভাৰতীয় কাৰিকৰী শিক্ষা পৰিষদ তথা চমুকৈ এ আই চি টি ই-য়ে ২০২৬ চনৰ ডিচেম্বৰৰ ভিতৰত সকলো অভিযান্ত্রিক ডিপ্ল'মা আৰু ডিগ্ৰী পাঠ্যক্ৰমৰ বাবে অসমীয়াকে ধৰি ১২টা ভাৰতীয় ভাষাত পাঠ্যপুথি সুলভ কৰাৰ বাবে অভিলাষী পদক্ষেপ গ্ৰহণ কৰিছে। অসমীয়া ভাষাৰ লগতে গুজৰাটী, কানাড়া, হিন্দী, মালায়ালম, মাৰাঠী, ওড়িয়া, পাঞ্জাবী, তামিল, তেলেগু আৰু উৰ্দু ভাষাত পাঠ্যক্ৰমসমূহ উপলব্ধ হ'ব। প্ৰথম আৰু দ্বিতীয় বৰ্ষৰ অভিযান্ত্রিক ডিপ্ল'মা আৰু ডিগ্ৰী পাঠ্যক্ৰমৰ বাবে ইতিমধ্যে ৬০০ খন পাঠ্যক্ৰম প্ৰস্তুত কৰি ১২টা আঞ্চলিক ভাষাত আপল'ড কৰা হৈছে। তৃতীয় আৰু চতুৰ্থ বৰ্ষৰ পাঠ্যপুথিৰ কাম সম্প্ৰতি চলি আছে। এ আই চি টি ই-ৰ আৰ্হিৰ পাঠ্যক্ৰম অনুসৰি প্ৰস্তুত কৰা এই পাঠ্যপুথিসমূহে চিভিল, মেকানিকেল, ইলেকট্ৰনিকছ আৰু কম্পিউটাৰ ছায়েন্স ইঞ্জিনিয়াৰিঙৰ দৰে মূল বিষয়সমূহ সামৰি লৈছে। ছাত্ৰ-ছাত্ৰীয়ে নিজ নিজ মাতৃভাষাত বুজিবলৈ সহায় কৰাৰ উদ্দেশ্যেৰে এই পাঠপুথিসমূহ প্ৰস্তুত কৰা হৈছে। এ আই চি টি ই-ৰ অধ্যক্ষ, অধ্যাপক টি জি সীতাৰামে কয়, যে পাঠ্যপুথিসমূহৰ অনুবাদ প্ৰক্ৰিয়া ক্ষিপ্ৰ কৰিবলৈ কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰ কৰা হৈছে।

০০০০০০

ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নৱ নিৰ্বাচিত পাৰিষদসকলে আজি শপতগ্ৰহণ কৰিব। দুধনৈৰ ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যালয়ত বিয়লি ৩ বজাত শপত গ্ৰহণ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাকে ধৰি ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰী বিধায়ক এই কাৰ্যসূচীত অংশ লোৱাৰ কথা।

০০০০০০

মোহন বাগান ছুপাৰ জায়েণ্টে আই এছ এল ফুটবল প্ৰতিযোগিতাৰ খিতাপ দখল কৰিছে। দলটোৱে কালি কলকাতাৰ বিবেকানন্দ যুব ভাৰতী ক্ৰীড়াংগনত অনুষ্ঠিত ফাইনেলত বেংগালুৰু ফুটবল ক্লাবক ২-১ গলত পৰাস্ত কৰে। মোহন বাগানে এইবাৰ দ্বিতীয়বাৰৰ বাবে প্ৰতিযোগিতাৰ খিতাপ অৰ্জন কৰিছে। দলটোৱে ইয়াৰ পূৰ্বে ২০২২-২৩ বৰ্ষত প্ৰতিযোগিতাৰ ফাইনেলত জয় হৈছিল।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে পাঞ্জাব কিংছক ৮ উইকেটত পৰাস্ত কৰে। হায়দৰাবাদৰ হৈ অভিষেক শৰ্মাই ৫৫টা বলত ১৪১ ৰান কৰে। ট্ৰেভিছ হেডে ৬৬ ৰানৰ বৰঙণি আগবঢ়ায়। পাঞ্জাবৰ হৈ অৰ্শদ্বীপ সিং আৰু য়ুজবেন্দ্ৰ চহলে এটাকৈ উইকেট লাভ কৰে।

ইয়াৰ পূৰ্বে পাঞ্জাব কিংছে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেটৰ বিনিময়ত ২৪৫ ৰান কৰে। পাঞ্জাবৰ হৈ শ্ৰেয়াছ আয়াৰে ৩৬টা বলত ৮২ ৰান কৰে। ছানৰাইজাৰ্ছ হায়দৰাবাদৰ হৰ্ষল পেটেলে চাৰিটা উইকেট দখল কৰে। অভিষেক শৰ্মাক প্ৰেয়াৰ অব দ্য মেচ হিচাপে ঘোষণা কৰা হয়।

ইপিনে, লক্ষ্ণৌত কালি অনুষ্ঠিত আন এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে-গুজৰাট টাইটানছক ৬ উইকেটত পৰাস্ত কৰে। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে ১৮১ ৰাণৰ বিজয় লক্ষ্যৰে খেলি ১৯ অভাৰ আৰু ৩ টা বলত নিক'লাচ পুৰণ আৰু মাৰ্কৰামৰ অৰ্ধশতৰাণৰ সহায়ত ৪টা উইকেট হেৰুৱাই ১৮৬ ৰাণ কৰে। ইয়াৰ আগেয়ে

গুজৰাটে প্ৰথমে বেট ধৰি শুভমন গিলৰ ৬০ ৰাণ, ছাই সুদৰ্শনৰ ৫৬ ৰাণৰ সহায়ত ৬টা উইকেটৰ বিনিময়ত ১৮০ ৰাণ সংগ্ৰহ কৰে।

প্ৰতিযোগিতাত আজি দুখন খেল খেলোৱা হ'ব। জয়পুৰত বিয়লি চাৰে ৩ বজাত হ'বলগীয়া প্ৰথমখন খেলত ৰাজস্থান ৰয়েলছ ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আনহাতে সন্ধিয়া চাৰে সাত বজাত দিল্লীত হ'বলগীয়া দ্বিতীয়খন খেলত মুম্বাই ইণ্ডিয়ানছ ডেলহী কেপিটেলছৰ সন্মুখীন হ'ব।

oooooo

বিহুক লৈ ৰাজ্যজুৰি বিৰাজ কৰা আনন্দমুখৰ পৰিৱেশ, দিছপুৰত অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ বৈঠক, নেচনেল হেৰ'ল্ড গোচৰত বিধি বলৱৎকাৰী সঞ্চালকালয়ৰ জাননী, পঞ্চায়ত নিৰ্বাচনক লৈ শদিয়াৰ পৰা ধুবুৰী চলা তৎপৰতাকে ধৰি কেইবাটাও বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত গুৰুত্ব পাইছে।

নেচনেল হেৰ'ল্ড গোচৰত কংগ্ৰেছ হাইকামাণ্ডৰ সৈতে সম্পৰ্কিত সম্পত্তি বাজেয়াপ্ত কৰিবলৈ বিধি বলৱৎকাৰী সঞ্চালকালয়ে জাননী জাৰি কৰা বাতৰিটো আজি **নিয়মীয়া বাৰ্তা** আৰু **অসমীয়া খবৰ**কে ধৰি কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাৰ এটা মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে।

কালি দিছপুৰত অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ বৈঠকত গ্ৰহণ কৰা সিদ্ধান্তসমূহৰ বিষয়ে কেইবাখনো কাকতে আজি প্ৰথম পৃষ্ঠাত সবিস্তাৰে প্ৰকাশ কৰিছে। বাতৰিটো **অসমীয়া প্ৰতিদিন** কাকতে **কেবিনেটৰ সিদ্ধান্ত সদৰি কৰি মুখ্যমন্ত্ৰী ঃ ৮ ছেপ্তেম্বৰৰ পৰা বছৰজুৰি পালন কৰা হ'ব সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকী** আৰু দি আছাম ট্ৰিবিউন কাকতে **BIRTH CENTENARY OF DR. BHUPEN HAZARIKA : STATE GOVT. PLANS YEARLONG CELEBRATION** শিৰোনাম দিছে। দৈনিক অসম কাকতেও বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

উচ্চতম ন্যায়ালয়ৰ এটা শেহতীয়া ৰায়কেন্দ্ৰিক বাতৰিক দৈনিক জনমভূমি কাকতে **ৰাজ্যৰ বিধেয়ক পেলাই থ'ব পৰাৰ অধিকাৰ সংবিধানে দিয়া নাই, ৰাষ্ট্ৰপতিক সীমা বান্ধি দিলে বিচাৰপীঠে** শিৰোনামেৰে প্ৰকাশ কৰিছে।

ৰঙালী বিহুক লৈ ৰাজ্যজুৰি আনন্দমুখৰ পৰিৱেশ বিৰাজ কৰাৰ বাতৰিক আমাৰ অসম, দৈনিক অগ্ৰদূতকে ধৰি কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

দা ছেণ্টিনেল কাকতে পঞ্চায়ত নিৰ্বাচনকেন্দ্ৰিক এটা বাতৰিক **PANCHAYAT POLLS : BJP ALLIANCE ALL SET, BUT OPPOSTION STILL IN DISARRARY** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। দা টাইমছ অৱ ইণ্ডিয়াই ৱক্‌ফ সংশোধনী আইনক লৈ পশ্চিমবংগত সাব্যস্ত কৰা প্ৰতিবাদী কাৰ্যসূচীত তিনিজনৰ মৃত্যু আৰু আৰক্ষীকে ধৰি কেইবাজনো আহত হোৱাৰ বাতৰিটো প্ৰথম পৃষ্ঠাত স্থান দিছে।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

oooooo

ৰাজ্যত পহিলা মাৰ্চৰ পৰা এই পৰ্যন্ত স্বাভাৱিকতকৈ ৪৩ শতাংশ কম বৰষুণ হৈছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ তথ্য অনুসৰি এই সময়ছোৱাত ৰাজ্যৰ ১৩১ দশমিক ৭ মিলিমিটাৰ বৰষুণ হ'ব লাগিছিল যদিও ৭৪ দশমিক

৬ মিলিমিটাৰহে বৰষুণ হৈছে। অৱশ্যে বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই ১৬ এপ্ৰিললৈ ৰাজ্যৰ বিভিন্ন ঠাইত বিজুলী-ঢেৰেকনীৰে বৰষুণ অহাৰ সম্ভাৱনা আছে বুলি আগলী বতৰা দিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী, ঢেৰেকণিৰে বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম আৰু মেঘালয়ৰ ঠাই বিশেষে মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। আনহাতে নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰৰ কেতবোৰ ঠাইত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই লগতে প্ৰকাশ কৰিছে।

০০০০০০

সমাপ্ত